# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

বিশিষ্ট কবি সমীৰ তাঁতী, বড়ো ভাষাৰ ঔপন্যাসিক অৰণ ৰাজা আৰু দীপক কুমাৰ শৰ্মাক এই বছৰৰ সন্মানজনক সাহিত্য একাডেমী বঁটা আগবঢ়োৱা হৈছে। সাহিত্য একাডেমীয়ে আজি নতুন দিল্লীত ঘোষণা কৰা ২১টা ভাৰতীয় ভাষাৰ ভিতৰত অসমীয়া ভাষাত **ফৰিংবোৰে বাটৰ কথা জানে** কাব্যগ্ৰন্থৰ বাবে সমীৰ তাঁতীক আৰু **চৌৰণি থাকাই অৰ্থাৎ কাৰ বাবে** উপন্যাসখনৰ বাবে অৰণ ৰাজাক আৰু সংস্কৃত ভাষাৰ কাব্যগ্ৰন্থ **ভাস্কৰচৰিতম্**ৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক দীপক কুমাৰ শৰ্মাক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। হাউবাম সত্যৱতী দেৱীক তেওঁৰ কাব্য সংকলনৰ বাবে মণিপুৰী ভাষাত এই বছৰৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ সুশাসন সপ্তাহৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাত কাইলৈৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাওঁৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ হ'ব। প্ৰশাসন যন্ত্ৰক স্বচ্ছ আৰু নিকাকৰণৰ লগতে গ্ৰামাঞ্চলৰ জনতাৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহৰ অন্যতম প্ৰধান লক্ষ্য। তদুপৰি ৰাজহুৱা অভিযোগ তথা সমস্যাসমূহৰ ক্ষীপ্ৰ নিষ্পত্তিকৰণো এই সপ্তাহ পালনৰ আন এক বিশেষ বৈশিষ্ট। সেই অনুসৰি এই অভিযানকালত কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী, দিশপুৰ, চন্দ্ৰপুৰ, সোণাপুৰ আৰু আজাৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে চন্দ্ৰপুৰ, ডিমৰীয়া, আৰু ৰাণী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট ৰাজহুৱা সমস্যাসমূহ নিষ্পত্তি কৰা হ'ব। এই বিশেষ শিবিৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়া দায়িত্বত নিয়োজিত হৈ থাকিব।

০০০

ৰাজ্যত প্ৰথমবাৰৰ বাবে আজি ব্ৰহ্মপুত্ৰত পোৱা শিহুৰ শৰীৰত ক্ষুদ্ৰাকৃতিৰ ইলেক্ট্ৰনিক ছিপ সংযুক্ত কৰি ইয়াৰ গতিবিধি নিৰীক্ষণৰ প্ৰক্ৰিয়া শুভাৰম্ভ কৰা হৈছে। পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ সহযোগত ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে ৰাজ্যৰ বন বিভাগ আৰু আৰণ্যকৰ সহযোগত তথা CAMPA কৰ্তৃপক্ষৰ আৰ্থিক সাহায্যত এই প্ৰক্ৰিয়া আৰম্ভ কৰে। কুলশী নদীত শিহুৰ গাত প্ৰথমবাৰৰ বাবে এই ছিপ সংযোগ কৰা হৈছে। বন বিভাগৰ এগৰাকী জ্যেষ্ঠ বিষয়াই কৈছে, যে এয়া হৈছে শিহুক ক্ষুদ্ৰাকৃতিৰ ইলেক্ট্ৰনিক ছিপ লগোৱা ঘটনা পৃথিৱীতে প্ৰথম। উল্লেখযোগ্য যে শিহুক আমাৰ  দেশৰ ৰাষ্ট্ৰীয় জলচৰ প্ৰাণীৰূপে স্বীকৃতি দিয়া হৈছে।

০০০

চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গেলফু মাইণ্ডফুলনেচ ছিটি প্ৰকল্পটোৰ বুজ লয়। এই ভ্ৰমণকালত তেওঁ অসমত অনুষ্ঠিত হ'বলগীয়া এডভানটেজ আসাম টু পইণ্ট জিৰো শীৰ্ষক আন্তঃগাথনি আৰু বিনিয়োগ সন্মিলনত অংশগ্ৰহণৰ বাবে বিভিন্ন অংশীদাৰী আৰু উদ্যোগীসকলক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালতে বিশিষ্ট শিক্ষাবিদ অৰুন কাপুৰৰ সৈতেও বাৰ্তালাপত মিলিত হয়। তেওঁ আজি ভূটানৰ আধ্যাত্মিক আৰু সাংস্কৃতিক কেন্দ্ৰ, ঐতিহাসিক চিমটখা জঙত উপস্থিত হৈ প্ৰাৰ্থনা জনায়।

০০০

ৰাজ্যত ২০১৯ চনৰ পৰা মুঠ ২৫ হাজাৰ ২৪৭গৰাকী বৃক্ক ৰোগীয়ে বিনামূলীয়াকৈ ডায়েলেছিছৰ সুবিধা লাভ কৰিছে। এই ৰোগীসকলক বৰ্তমানলৈকে ৭ লাখ ৪৫ হাজাৰৰো অধিক বাৰ ডায়েলেছিছ কৰা হৈছে। চৰকাৰে বৰ্ধিত ডায়েলেছিছ ৰোগীৰ সংখ্যালৈ চাই বিভিন্ন অসামৰিক চিকিৎসালয়ত ডায়েলেছিছ সেৱাও আৰম্ভ কৰিছে। বঙাইগাঁও জিলাৰ অভিভাৰক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি অভয়াপুৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত এপ'ল' মেনেজমেণ্টৰ সহযোগত স্থাপন কৰা এটা ডায়েলেছিছ কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এই কথা প্ৰকাশ কৰে। এই কেন্দ্ৰটোত প্ৰতি দিন ৯ গৰাকীকে ব্যক্তিয়ে ডায়েলেছিছ কৰিব পাৰিব।

০০০

শ্ৰীভূমিৰ মালেগড় টিলাত চিপাহী বিদ্ৰোহৰ স্মৃতিত আজি ছহিদ দিৱস পালন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত সীমান্ত সুৰক্ষা বলৰ সহযোগত চিপাহী বিদ্ৰোহৰ ছহিদসকলক স্মৰণ কৰা হয়। মালেগড় টিলাত থকা ছহিদ বেদীত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু সীমান্ত সুৰক্ষা বলৰ জোৱানসকলে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰে। অনুষ্ঠানটোত সৰ্বধৰ্ম প্ৰাৰ্থনাও কৰা হয়।

০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ডিচেম্বৰ মাহৰ ভিতৰত প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সকলো অনুমতিপ্ৰাপ্ত আৰু স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানত এই প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। পৰিষদৰ সচিবে আজি জাৰি কৰা নিৰ্দেশনা অনুসৰি সকলো শিক্ষানুষ্ঠানৰ মুৰববীয়ে এই পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু সকলো শিক্ষানুষ্ঠানে বাধ্যতামূলকভাৱে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰ সুৰক্ষিত ৰাখিব লাগিব। পাছত সেয়া পৰিষদৰ মাৰ্ক্স এণ্ট্ৰি পোৰ্টেলত অন্তৰ্ভুক্ত কৰিব লাগিব।

০০০

অসম ক্ৰিকেট সন্থাই ২১ ডিচেম্বৰৰ পৰা ৰাজস্থানৰ জয়পুৰত হ্বলগীয়া বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে খেলুৱৈসকলৰ নাম ঘোষণা কৰিছে। শিৱশংকৰ ৰয়ক অধিনায়ক আৰু সুমিত ঘাডিগাওকাৰক উপ-অধিনায়ক হিচাপে বাছনি কৰা হৈছে। দলৰ বাকী সদস্যসকলৰ ভিতৰত পাৰভেজ মুশ্বাৰফ, ঋষভ দাস, স্বৰূপম পুৰকায়স্থ, ডেনিছ দাস, ছাহিল জৈন, অভিষেক ঠাকুৰি, মৃণাল দত্ত, মুখতাৰ হুছেইন, আকাশ সেনগুপ্ত, ৰাহুল সিং, অভিনৱ চৌধুৰী, দৰ্শন ৰাজবংশী আৰু অনুৰাগ তালুকদাৰ আছে।

০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ সহকাৰী অধ্যাপক ড০ গোমা দেৱী শৰ্মাই দেৱক'টা লু শুন প্ৰজ্ঞা আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। নেপালী সাহিত্য আৰু অনুবাদৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে নেপালৰ দেৱক'টা লু শুন প্ৰজ্ঞা একাডেমীয়ে অধ্যাপকগৰাকীলৈ এই বঁটা আগবঢ়াইছে। ড০ শৰ্মাৰ মননশীল লিখনিয়ে শৈক্ষিক সমাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ